অসম চৰকাৰ

GOVERNMENT OF ASSAM

প্ৰধান মন্ত্ৰী আৱাস যোজনা (চহৰাঞ্চল)
Pradhan Mantri Awas Yojana (Urban)

প্ৰধানমন্ত্ৰী আৱাস যোজনা- সকলোৰে বাবে বাসগৃহ-চহৰাঞ্চল, নগৰ উন্নয়ন বিভাগ, অসমৰ দ্বাৰা জনহিতাৰ্থে প্ৰচাৰিত

# বিজ্ঞপ্তি

## প্ৰধানমন্ত্ৰী আৱাস যোজনা (চহৰাঞ্চল), অসমৰ অধীনত সংঘটিত হ'ব পৰা জালিয়াতী কৰ্মৰ বিৰুদ্ধে ৰাজহুৱা জাননী

এই জাননীৰ দ্বাৰা সৰ্বসাধাৰণ ৰাইজক অৱগত কৰা হ'ল যে, কিছু সংখ্যক লোকে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ ঘৰ আৱন্টন প্ৰক্ৰিয়াৰ সন্দৰ্ভত হিতাধিকাৰীসকলক বিভ্ৰান্ত কৰাৰ চেষ্টা চলাইছে।

- এই বিজ্ঞপ্তিৰ দ্বাৰা এইটো সতৰ্ক কৰা হ'ল যে প্ৰধানমন্ত্ৰী আৱাস যোজনাই কোনো ব্যক্তিক/ ব্যক্তিগত অনুষ্ঠানক হিতাধিকাৰীৰ ধন সংগ্ৰহ কৰিবলৈ প্ৰাধিকৰণ দিয়া নাই।
- এই বিজ্ঞপ্তিৰ দ্বাৰা এইটো অৱগত কৰা হ'ল যে প্ৰধানমন্ত্ৰী আৱাস যোজনা (চহৰাঞ্চল)'ৰ অধীনত আবেদন কৰা ঘৰৰ আৱন্টন প্ৰক্ৰিয়াৰ বাবে **উন্নয়ন সমিতি** / **পৌৰ নিকায়** / **পৌৰ নিগম** / **উন্নয়ন প্ৰাধিকৰণক** দায়িত্ব প্ৰদান কৰা হৈছে আৰু এই প্ৰক্ৰিয়া সম্পূৰ্ণৰূপে বিনামূলীয়া।
- এই বিজ্ঞপ্তিৰ দ্বাৰা জনোৱা হ'ল যে কোনো ব্যক্তিক নিজৰ ব্যক্তিগত তথ্য অথবা ধনৰাশি প্ৰদান নকৰে যেন। এই ধৰণৰ যিকোনো অপকৰ্ম সংঘটিত হলে অনতিপলমে নিকটৱৰ্তী আৰক্ষী থানাত অৱগত কৰিবলৈ আহ্বান জনোৱা হ'ল।

কোনো ব্যক্তি/ব্যক্তিগত অনুষ্ঠানে PMAY (Urban)'ৰ নাম লৈ এনে অপৰাধমূলক কামত অভিযুক্ত হ'লে তেওঁৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

আমাৰ বিনামূলীয়া দূৰভাষ নম্বৰ অথবা E-mail যোগে উক্ত সন্দৰ্ভত অভিযোগ দাখিল কৰিব পাৰে।

অভিযান সঞ্চালকালয়,
প্ৰধানমন্ত্ৰী আৱাস যোজনা (চহৰাঞ্চল)
"সকলোৰে সপোন - ঘৰ হব আপোন"

***Email:*** *pmayhfauassam@gmail.com* ***Website*** *: pmayassam.in* ***Toll Free Number*** *: 1800-123-167-167*